**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-01-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

ভোগালী বিহুলৈ মাজত মাথো ২টা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিহুৰ ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। ঘৰে ঘৰে পিঠা-পনা, সুস্বাদু বিহুৰ জলপানকে ধৰি উপাদেয় সামগ্ৰী প্ৰস্তুত কৰাৰ লগতে বজাৰসমূহো ভোগালীৰ সম্ভাৰেৰে উপচি পৰিছে। ভোগালী বিহুৰ উৰুকাৰ বতৰত ৰাজ্যৰ বজাৰসমূহলৈ থলুৱা মাছৰ যোগান ধৰাৰ বাবে মীন মহল আৰু মীন উৎপাদকসকল সাজু হৈছে। বিহুৰ বতৰত মাংস আৰু দুগ্ধজাত সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিবলৈ পশুপালন আৰু পশু চিকিৎসা বিভাগে নিৰ্দেশনা জাৰি কৰিছে। ইপিনে, চৰকাৰী বন্ধৰ তালিকাত উৰুকাৰ দিনটো সীমিত বন্ধৰ দিন হিচাপে আছে যদিও কাৰ্যালয় বা বিদ্যালয় খোলা থকাৰ পৰিপ্ৰেক্ষিতত সদৌ অসম কৰ্মচাৰী পৰিষদ আৰু অসম কলেজ শিক্ষক সংস্থাই সকলোৰে সুবিধা হোৱাকৈ উৰুকাৰ দিনটো চৰকাৰী বন্ধৰ দিন হিচাপে ঘোষণা কৰাৰ বাবে আহ্বান জনাইছে। ভোগালী বিহুৰ প্ৰাকক্ষণত ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ভোগালী মেলাৰ আয়োজন কৰা হৈছে।

oooooo

উমৰাংছ'ৰ তিন কিল' কয়লাখনিৰ পৰা আজি পুৰা আৰু এটা মৃতদেহ উদ্ধাৰ কৰা হয়। আমাৰ হাফলঙৰ সংবাদদাতা মনছুন সিঙে জনোৱা মতে এই মৃতদেহটো উমৰাংছ'ৰ সমীপৰ কালা মাটিৰ লাইজান মগৰ নামৰ এজন ২৬ বছৰীয়া যুৱকৰ বুলি চিনাক্ত কৰা হৈছে। ইয়াকে ধৰি এতিয়ালৈকে খনিটোৰ পৰা ২টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। নৌ সেনা, এন ডি আৰ এফ, এছ্ ডি আৰ এফ, অ' এন জি চি আৰু জিলা প্ৰশাসনে আজি ষষ্ঠ দিনাও উদ্ধাৰ অভিযান পূৰ্ণোদ্যমে চলাই আছে। ইতিমধ্যে এই ঘটনা সংক্ৰান্তত দুজন লোকক আৰক্ষীয়ে আটক কৰিছে।

ooooo

উদ্যমিতাৰ জৰিয়তে ধেমাজি জিলাৰ উন্নয়ন সাধনৰ প্ৰয়াস হিচাপে জিলাখনৰ কছাৰী ময়দানত কালিৰে পৰা চাৰিদিনীয়াকৈ আত্মনিৰ্ভৰ ধেমাজি শীৰ্ষক এখন আলোচনা সত্ৰ অনুষ্ঠিত হৈছে। অনুষ্ঠানৰ প্ৰথম দিনা কালি প্ৰগতিশীল কৃষকৰ সৈতে বাৰ্তালাপ শীৰ্ষক আলোচনাসত্ৰত মৌ পালনেৰে আত্মনিয়োগৰ সম্ভাৱনা, বহনক্ষম গ্ৰাম্য উন্নয়নৰ বাবে কৃষি প্ৰযুক্তিৰ প্ৰয়োগ আদি বিষয়ত কেইবাগৰাকী সমল ব্যক্তিয়ে বক্তব্য আগবঢ়োৱাৰ লগতে কৃষকসকলৰ সৈতে এই সন্দৰ্ভত মত বিনিময় কৰে। আজি ধেমাজি জিলাৰ মীন খণ্ডৰ বহনক্ষম উৎপাদনেৰে কৃষকৰ আয় বৃদ্ধিৰ পথ বিষয়ত আলোচনা চক্ৰ অনুষ্ঠিত হৈছে।

ooooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ'ব। অনুষ্ঠানটোত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠানতে ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ডং শাশ্বতী গোস্বামীয়েও বাতৰি সম্পৰ্কত তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

oooooo

ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশনৰ আজি তৃতীয় দিনাৰ কাৰ্যসূচীত বড়ো সাহিত্য সভাৰ প্ৰয়াত কাণ্ডাৰীসকলক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি তৰ্পণৰ লগতে সম্বৰ্ধনা আৰু শিল্পী সাহিত্যিকক বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ১০খন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ধৰ্মেন্দ্ৰ প্ৰধানৰ লগতে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মা, ডিমাছা সাহিত্য সভাৰ সভাপতি ৰমেশ থাউছেন, গাৰো সাহিত্য সভাৰ প্ৰধান সম্পাদক জনকেৰি ছাংমা আৰু মিছিং সাহিত্য সভাৰ প্ৰধান সম্পাদক সোমেশ্বৰ পকটাককে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

১২ জানুৱাৰীৰ অন্তিম দিনাৰ কাৰ্যসূচীত বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীৰ সঞ্চালনাত হ'বলগীয়া মুকলি অধিৱেশনত অসম বিধানসভা অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মেঘালয় আৰু ছিকিমৰ মুখ্যমন্ত্ৰীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাগ ল'ব।

ooooo

কোৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া ছুপাৰ ৱান থাউজেণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত ভাৰতৰ সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটীয়ে আজি ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ চিউ চিউং-জে আৰু কিম ৱন-হোৰ যুটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ৪০ মিনিটত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে কালি কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় যুটীটোৱে মালয়েছিয়াৰ ইউ ছিন ৰং আৰু এ ই টিঅ'ৰ যুটীক ২৬-২৪ আৰু ২১-১৫ পোনপটীয়া গেমত পৰাস্ত কৰে।

ooooooooo